# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 30-06-2024

**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

চৰকাৰী চিকিৎসকে কৰ্তব্যৰ সময়চোৱাত ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা আগবঢ়াব নোৱাৰিব বুলি ৰাজ্যৰ স্বাস্থ্য বিভাগে নিৰ্দেশনা জাৰি কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পিছতে স্বাস্থ্য, শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিঙে এই সন্দৰ্ভত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিবলৈ এখন পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰযোগে চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপককে ধৰি চৰকাৰী চিকিৎসকে ব্যক্তিগত চিকিৎসা সেৱাত যাতে জড়িত নাথাকে সেয়া নিশ্চিত কৰিবলৈ সকলো ব্যক্তিগত খণ্ড চিকিৎসালয়ক স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ জৰিয়তে নিৰ্দেশনা দিবলৈ অনুৰোধ জনোৱা হৈছে। এই নিৰ্দেশনা যাতে সঠিকভাৱে পালন হয় তাৰ বাবে সময়ে সময়ে ব্যক্তিগত খণ্ড চিকিৎসালয়সমূহ পৰিদৰ্শন কৰিবলৈ পত্ৰখনত উল্লেখ কৰা হৈছে। একেদৰে নিয়ম ভংগ কৰা ব্যক্তিগত চিকিৎসালয়, নাৰ্চি হোমৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। লগতে ব্যক্তিগত চিকিৎসালয় পৰিদৰ্শনৰ মাহটোৰ তথ্য চৰকাৰক অৱগত কৰিব লাগিব বুলি পত্ৰত উল্লেখ কৰে। উল্লেখযোগ্য যে যোৱা ২৭ জুনত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটাৰ ফকৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি কৰ্তব্যৰ সময়ত কোনো ব্যক্তিগত চিকিৎসালয়ত ব্যস্ত হৈ নাথাকে তাৰ বাবে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছিল। এই নিৰ্দেশৰ পাছতে সমগ্ৰ বিষয়টোক লৈ স্বাস্থ্য, শিক্ষা আৰু গৱেষণা বিভাগে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগলৈ পত্ৰ প্ৰেৰণ কৰে।

০০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি বিগত ২৪ ঘণ্টাত ৰাজ্যৰ ৭খন জিলাৰ ৪১১খন গাওঁ বানৰ কবলত পৰিছে। তথ্য অনুসৰি বানত প্ৰায় ১লাখ ৩৪ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি হোৱাৰ ফলস্বৰূপে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কেইবাটাও অঞ্চল বানত বুৰ গৈছে। কঁহৰা বনাঞ্চলৰ আৰিমৰা আৰু অগৰাতলী বনাঞ্চলৰ মাকলুং বন শিবিৰ প্লাবিত হৈছে। ইপিনে, দেৰগাঁৱৰ চৰাই চাপৰি, নাৰমাৰি, আবানি, শগুণ পাৰাকে ধৰি কেইবাখনো গাঁৱত বানে জটিল ৰূপ ধাৰণ কৰিছে। বানত কেইবাটাও মূল পথ বুৰ যোৱাত বন্যাৰ্তই যাতায়তৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে।

আনহাতে, তিনিচুকীয়া জিলাৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তীত হৈ আছে। জিলাখনৰ নৈ-উপনৈ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত প্ৰতিদিনে ন ন অঞ্চল প্লাবিত হৈছে। দুৰ্যোগজনিত জৰুৰীকালীন সহায়ৰ বাবে জিলা প্ৰশাসনে ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকাকৈ কেইবাটাও দূৰভাষ নম্বৰ মুকলি কৰিছে।

ইপিনে, ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে জল পৰিবহণ বিভাগে অনিৰ্দিষ্ট কাললৈ মাজুলি-নিমাতি সংযোগী ফেৰী সেৱা বন্ধৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ব্ৰহ্মপুত্ৰ বাঢ়নি পানীয়ে মেলেং বালিচাপৰিৰ ৰঙাজান বাঘজান শ্লুইচ গেটৰ এটা অংশ ভাঙি নিয়ে। ভগা শ্লুইছ গেটেৰে সোমোৱা পানীয়ে কৃষি ভূমিৰ লগতে আবাসগৃহ বুৰাই পেলোৱাৰ আংশকাই দেখা দিছে।

যোৰহাট জিলাৰ টীয়ক আৰু পূব যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত জাজীমুখতো বানে জটিল ৰূপ ধাৰণ কৰিছে। বাঢ়নি পানীয়ে ইতিমধ্যে দুয়োটা ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ২৫খন গাওঁ বুৰাই পেলোৱাৰ লগতে বহু হেক্টৰ কৃষিভূমি প্লাবিত কৰিছে।

ইপিনে, জলসম্পদ মন্ত্ৰী পিয়ুষ হাজৰিকাই আজি গোলাঘাটৰ তেতেলীতলৰ হাঁহচ'ৰা পথাৰৰ ধনশিৰি নদীৰ নৱনিৰ্মিত মথাউৰিটো পৰিদৰ্শন কৰে। তেওঁ হোজাই,নগাওঁ জিলাৰ কামপুৰ আৰু বৰাক উপত্যকাত মথাউৰি নিৰ্মাণৰ কাম কৰিবলগীয়া আছে বুলি উল্লেখ কৰে। ইয়াৰপূৰ্বে তেওঁ গোলাঘাটৰ সাংবাদিক বিকাশ শৰ্মাৰ বাসগৃহত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে অসম চৰকাৰৰ তৰফৰ পৰা ২লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। আনহাতে, আঠখেলীয়া মথাউৰি পৰিদৰ্শন কৰাৰ লগতে তেওঁলোকে চিংফুৰাত কাকডোঙা মথাউৰি উদ্বোধন কৰি এখন জনসভাত অংশগ্ৰহণ কৰে।

0000000

চাহপাতৰ গুণগত মান পৰীক্ষা কৰাৰ লক্ষ্যৰে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি  তিনিচুকীয়া জিলাত ভ্ৰাম্যমাণ পৰীক্ষণ বাহন মুকলি কৰে। বাহন মুকলি কৰাৰ পাছতে তেওঁক জিলা প্ৰশাসন আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ সৈতে বৈঠকত মিলিত হয়। শীঘ্ৰেই কেঁচা চাহপাত গুণগত মান পৰীক্ষণ সন্দৰ্ভত ৰাজ্য চৰকাৰে নিৰ্দেশনা প্ৰকাশ কৰিব বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে কৃষি বিভাগৰ তৰফৰ জনোৱা মতে ভ্ৰাম্যমাণ পৰীক্ষণ বাহনে কৃষকক কেইবাটাও দিশত লাভান্বিত কৰিব।

00000000

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত কাইলৈ বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিৱেশ আৰু বহনক্ষমতা শাখাৰ মুৰব্বী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক  প্ৰধান প্ৰদীপ কুমাৰ, এইমছ গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিক অতিথি হিচাপে উপস্থিত থাকিব। গুৱাহাটীস্থিত পি আই বিৰ অতিৰিক্ত সঞ্চালক প্ৰধান জেনে নামছুয়ে আলোচনাৰ আঁত ধৰিব। কাইলৈৰ অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা বাতৰি পঢ়া প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰাৰ লগতে পুৰস্কৃত কৰা হ'ব।

00000000

**সমাপ্ত**